No. of Printed Pages—4

754 (ASM3A/ASE3A/ASP3A)

[20-HRGPNW–D3S(N)21A]

BA 3rd Semester (New) Exam., 2020 (W)

ASSAMESE

[GAS S3–01 (M/P)]

(অসমীয়া ব্যাকৰণ)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ লিখক : 1×8=8

(i) মধ্যযুগৰ পণ্ডিতসকলে ব্যাকৰণক কি আখ্যা দিছিল ?

(ii) *An Assamese Grammar with Vocabulary and Exercise* নামৰ ব্যাকৰণৰ ৰচক কোন ?

(iii) বাগ্‌ধ্বনি ক'ৰ পৰা উচ্চাৰিত হয় ?

(iv) গলকোষ কি ?

(v) কুঞ্চিত স্বৰধ্বনি কি ?

(vi) শব্দ কি ?

(vii) অব্যয় প্ৰকৃতি কি ?

(viii) পদক কেইটা ভাগত ভাগ কৰা হয় আৰু কি কি ?

(b) তলত দিয়াবোৰৰ শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) বাংলা ভাষাৰ ইতিহাসক ইয়াৰ সাহিত্যিক নিদর্শনৰ ওপৰত ভিত্তি কৰি ভাগ কৰা হৈছে

1. তিনিটা যুগত
2. চাৰিটা যুগত
3. পাঁচটা যুগত
4. ছয়টা যুগত

(ii) বাংলা ভাষাত কিছুমান নিত্য পুংলিংগবাচক আৰু নিত্য স্ত্রীলিংগবাচক শব্দৰ প্রয়োগ

1. আছে
2. নাই
3. মাজে মাজে আছে
4. একেবাৰে নাই

(iii) কিহৰ পৰা শ্রোতাৰ বাক্য শ্রৱণৰ আকাঙ্ক্ষা পূর্ণ হয় ?

1. পদৰ আকাঙ্ক্ষা
2. উপলব্ধি
3. আন্তৰিকতা
4. সুৰ-লহৰ

(iv) অসমীয়া ভাষাৰ বাক্যৰ শ্রেণীবিভাগ কৰিব পাৰি _____ ভিন্ন দিশৰ পৰা।

1. চাৰিটা
2. পাঁচটা
3. ছয়টা
4. সাতটা

(c) খালী ঠাই পূৰ কৰক : 1×4=4

(i) যিবোৰ পদত কোনো ধৰণৰ বিভক্তি লগ নালাগে সেইবোৰক _____ পদ বোলে।

(ii) অসমীয়া ভাষাত সাধাৰণতে বিশেষ্য আৰু _____ পদৰ বচন পোৱা যায়।

(iii) যি পদে _____ সম্পাদন কৰে তাকে কৰ্তা কাৰক বোলে।

(iv) অসমীয়া ভাষাত বিভিন্ন কাৰকৰ সৈতে জড়িত বিভক্তিসমূহক _____ বিভক্তি বোলা হয়।

2. তলত দিয়া যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) দ্বি-স্বৰধ্বনি কি ? উদাহৰণ দিয়ক।

(b) ৰূপতত্ত্ব বুলিলে কি বুজায় ? লিখক।

(c) মূলাভাস প্ৰকৃতি কি ?

(d) কৰ্তৃবাচ্যৰ বাক্য বুলিলে কি বুজে ? উদাহৰণ দিয়ক।

(e) প্ৰত্যয়ৰ সংযোগত অসমীয়া ভাষাত বহুবচন প্ৰকাশ কৰিব পাৰিনে ? দুটামান উদাহৰণসহ উত্তৰটো লিখক।

(f) বিভক্তি সংযোগৰ যি কোনো তিনিটা নিয়ম উদাহৰণসহ উল্লেখ কৰক।

3. তলত দিয়া যি কোনো **ছয়টা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 4×6=24

(a) অসমীয়া ব্যাকৰণৰ ইতিহাস—এই সম্পৰ্কে এটা চমু লেখা আগবঢ়াওক।

(b) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিৰ উচ্চাৰণ বৈশিষ্ট্যৰ বিষয়ে লিখক। যথাস্থানত উদাহৰণ দিব।

(c) অক্ষৰ কি ? উদাহৰণসহ বুজাই লিখক।

(d) প্ৰাকৃতিৰ চিনাক্তকৰণ কিদৰে কৰিব পাৰি, বহলাই লিখক।

(e) অসমীয়া ভাষাৰ বচন—এই সম্পৰ্কে এটি লেখ আগবঢ়াওক।

(f) বিশেষণ কি ? অসমীয়া ভাষাৰ বিশেষণ কেই প্ৰকাৰৰ আৰু কি কি ?

(g) বাংলা ভাষাৰ স্বৰধ্বনি—এই সম্পৰ্কে এটি টোকা লিখক।

4. তলত দিয়া যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) : 6×5=30

(a) উড়িয়া ভাষাৰ ৰূপতত্ত্ব—এই সম্পৰ্কে এটি আলোচনা লিখক।

(b) পদৰ যোগ্যতা বুলিলে কি বুজে ? বহলাই লিখক।

(c) বাক্যৰ প্ৰকাৰভেদ সম্পৰ্কে বহলাই আলোচনা কৰক।

(d) অসমীয়া ক্ৰিয়াপদৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

(e) অসমীয়া ভাষাৰ কাৰক—এই সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

(f) অসমীয়া ভাষাৰ ক্ৰিয়া বিভক্তি—এই সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

★ ★ ★